समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



দশম শ্ৰেণীৰ বাবে

ৰাজনীতি আৰু অৰ্থনীতি বিজ্ঞান

অৰ্থনীতি বিজ্ঞান

পাঠ - ১

মুদ্ৰা আৰু বেংক ব্যৱস্থা

অংশ – ৭

ৰিণা ফুকন

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দীঘল উত্তৰৰ প্ৰশ্ন —

১। বিনিময় প্ৰথাৰ চাৰিটা অসুবিধা ব্যাখ্যা কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দীঘল উত্তৰৰ প্ৰশ্ন —

১। বিনিময় প্ৰথাৰ চাৰিটা অসুবিধা ব্যাখ্যা কৰা।

উত্তৰঃ বিনিময়ৰ প্ৰথাৰ চাৰিটা অসুবিধা হৈছেঃ

(ক) সংগতিবিহীন অভাৱ:- বিনিময় প্ৰথা সাধাৰণতে অভাৱৰ সংগতিৰ ওপৰত নিৰ্ভৰ কৰে। বিনিময় কাৰ্য সম্পাদন কৰিব হলে ব্যক্তি দুজনৰ হাতত থকা সামগ্ৰীসমূহ অৰ্থাৎ দুজন ব্যক্তিয়ে আগবঢ়োৱা বস্তু দুবিধ পৰস্পৰৰ বাবে গ্ৰহণযোগ্য হ'ব লাগিব।

যদিহে এই চর্ত পূৰণ কৰিব নোৱাৰে তেন্তে বিনিময় প্ৰথা সম্ভৱ নহয়।

(খ) হিচাপ-নিকাচৰ উমৈহতীয় একক অভাৱ:- বিনিময় প্ৰথাত দ্ৰব্যৰ মূল্যাংকনৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হয়। সকলো সামগ্ৰীৰ মূল্য অন্য সামগ্ৰীৰ দ্বাৰা নিৰ্ধাৰণ বা প্ৰকাশ কৰিব লাগিব, ফলস্বৰূপে প্ৰতিটো সামগ্ৰীৰ বিপৰীতে অন্য সামগ্ৰীৰ বিনিময় হাৰ ভিন্ন হয়। এনে অৱস্থাত সকলো সামগ্ৰীক এটা সাধাৰণ মূল্যমানেৰে প্ৰকাশ কৰাটো অসম্ভৱ হৈ পৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(গ) বিনিময়যোগ্য সামগ্ৰীৰ অবিভাজ্যতা:- সামগ্ৰীসমূহৰ অবিভাজ্যতাই বিনিময় প্ৰথাৰ সমস্যাৰ সৃষ্টিকৰে আৰু বিনিময় প্ৰথা সম্পন্ন কৰাটো অসম্ভৱ হৈ উঠে। উদাহৰণস্বৰূপে – হাতী এটাৰ দৰে ডাঙৰ বস্তু এটা আপেলৰ দৰে সৰু বস্তু এটাৰ সৈতে বিনিময় কৰিবলৈ বিচাৰিলে যথেষ্ট অসুবিধাৰ সৃষ্টি হ'ব কাৰণ হাতীটোক সৰু সৰু অংশত বিভাজিত কৰি বিনিময় কাৰ্য সম্পাদন কৰাটো সম্ভৱ নহয়।

(ঘ) সঞ্চয় তথা মূল্য ভাণ্ডাৰৰ অভাৱ :-

মূল্য বুলিলে সা-সামগ্ৰীৰ মূল্য বুজিব লাগিব। বিনিময় প্ৰথাত মূল্যৰ ৰূপত সামগ্ৰীৰ ভাণ্ডাৰ সঞ্চয় কৰিব লাগিব। কিন্তু সামগ্ৰীৰ ৰূপত মূল্যৰ ভাণ্ডাৰ সঞ্চয় কৰিলে নিৰ্দিষ্ট কিছুমান সমস্যাৰ সৃষ্টি হ'ব, যেনেঃ মাছ, গাখীৰ আদি বেছি দিন সাঁচি ৰাখিব নোৱাৰি কাৰণ সেইবোৰ সোনকালে নষ্ট হৈ যায়। সঞ্চয়ৰ অসুবিধা বিনিময় প্ৰথাৰ এটা প্ৰধান সমস্যা আছিল। বৰ্তমান মুদ্ৰা হ'ল সা-সামগ্ৰীৰ মূল্যৰ ভাণ্ডাৰ।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

২। মুদ্রাৰ যিকোনো চাৰিটা প্ৰধান বৈশিষ্ট্য ব্যাখ্যা কৰা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

২। মুদ্রাৰ যিকোনো চাৰিটা প্ৰধান বৈশিষ্ট্য ব্যাখ্যা কৰা।

উত্তৰঃ মুদ্রাৰ প্রধান চাৰিটা বৈশিষ্ট্যসমূহ হ'ল-

(ক) সাধাৰণ গ্রহণযোগ্যতা:-

বিনিময়ৰ মাধ্যম হিচাপে সেৱা আগবঢ়াবলৈ হ'লে মুদ্রা সর্বসাধাৰণ লোকৰ দ্বাৰা গ্রহণযোগ্য হোৱাটো অতি প্রয়োজনীয়। মুদ্রাৰ সাধাৰণ গ্রহণযোগ্যতা নাথাকিলে মুদ্রা বিনিময়ৰ মাধ্যম হব নোৱাৰিব।

(খ) মুদ্রাৰ সহজ চিনাক্তকৰণ :-

মুদ্রাৰ চিনাক্তকৰণ সহজ হ'ব লাগিব। আন সকলোবোৰ সামগ্রীতকৈ ই বেলেগ হ'ব লাগিব। মুদ্রাৰ চিনাক্তকৰণ নহ'লে সামগ্রী বেচা-কিনাৰ সময়ত জটিলতাই দেখা দিব।

(গ) দীর্ঘস্থায়িত্ব:-

মুদ্রাৰ দীর্ঘস্থায়িত্বতা মানে মুদ্রা সহজেই নষ্ট হৈ যোৱা সামগ্রী হ'ব নোৱাৰে। মুদ্রা সঞ্চয়ৰ ভাণ্ডাৰ হ'ব লাগিব। মাছ, কণী, গাখীৰ, ইত্যাদিৰ কোনোটোৱেই মুদ্রা হব নোৱাৰে। কাৰণ এইবোৰ সামগ্রী বেছি দিন নিটিকে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(ঘ) সাদৃশ্যতা:-

মুদ্রা প্রকৃততে পূর্ণ সাদৃশযুক্ত। সহজ অর্থত ক'বলৈ গ'লে, সদৃশ পৰিমাণৰ মুদ্রা সকলো দিশৰ পৰা অবিকল একে হ'ব লাগিব অর্থাৎ আকাৰ, আকৃতি, কাগজৰ গুণাগুণ আদি সকলো দিশ একে হব লাগিব।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। মুদ্রাই সম্পাদন কৰা চাৰিটা প্ৰধান কাৰ্য ব্যাখ্যা কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। মুদ্রাই সম্পাদন কৰা চাৰিটা প্ৰধান কাৰ্য ব্যাখ্যা কৰা।

উত্তৰঃ মুদ্রাই সম্পাদন কৰা চাৰিটা প্ৰধান কাৰ্য হ'ল:

(ক) বিনিময়ৰ মাধ্যম:-

মুদ্রাৰ প্ৰধান কাৰ্য হ'ল যে ই বিনিময়ৰ মাধ্যম হিচাপে সেৱা আগবঢ়ায়। সকলো সামগ্ৰী আৰু সেৱাকাৰ্যৰ বিনিময়ৰ মাধ্যম হিচাপে মুদ্রাৰ ব্যৱহাৰ কৰা হয়।

মুদ্রাৰ সাধাৰণ গ্ৰহণযোগ্যতা থকাৰ বাবে ইয়াৰ সহায়ত সকলো ধৰণৰ সেৱা আৰু সা – সামগ্ৰীৰ বিনিময় সম্ভৱ হৈছে।

(খ) মূল্যৰ মাপকাঠী :-

মুদ্রাই সকলোধৰণৰ সা- সামগ্ৰী তথা সেৱাৰ মূল্য নিৰ্ধাৰণৰ ক্ষেত্ৰত মূল্যৰ মাপকাঠী হিচাপে কাম কৰে। মুদ্রাৰ ৰূপত প্ৰকাশ কৰা সামগ্ৰীটোৰ বিনিময় মূল্যই হ'ল সামগ্ৰীটোৰ দাম। মুদ্রা হৈছে হিচাপ বা সামগ্ৰীৰ মূল্যৰ উমৈহতীয়া একক যাৰ দ্বাৰা সকলোবোৰ আৰ্থিক সামগ্ৰী আৰু সেৱাৰ মূল্য নিৰূপণ কৰা হয়।

সেইবাবে মুদ্রাই মূল্যৰ মাপকাঠী।

(গ) মূল্যৰ ভাণ্ডাৰ :-

মুদ্রা হ'ল মূল্যৰ ভাণ্ডাৰ আৰু ইয়াক ভৱিষ্যতৰ বাবে সাঁচি ৰাখিব পাৰি। ই অতি দীৰ্ঘস্থায়ী আৰু ইয়াক যিকোনো সময়তে প্ৰয়োজন অনুসৰি যিকোনো সেৱা বা সা – সামগ্ৰীলৈ পৰিৱৰ্তিত কৰিব পাৰি। মুদ্রাৰ স্থায়ীত্ব গুণ অধিক আৰু মুদ্রাক সঞ্চয় কৰি ৰখাটোও সহজ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(ঘ) স্থগিত দেনা পাওনাৰ মানদণ্ড :-

ঋণ গ্ৰহণ, ঋণ প্ৰদান আদি সকলো স্থগিত লেন-দেনৰ মাধ্যম হিচাপে কাৰ্য কৰে। যেতিয়া মুদ্ৰাক সাধাৰণভাৱে বিনিময়ৰ মাধ্যম তথা মূল্যৰ একক হিচাপে গ্ৰহণ কৰি লোৱা হয়, তেতিয়াই ই স্বতঃস্ফূৰ্তভাৱে স্থগিত বা ভৱিষ্যৎ দেনা – পাওনাৰ হিচাপৰ এককত-পৰিণত হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। চেক এখন মুদ্রা নে? তোমাৰ উত্তৰৰ সপক্ষে যুক্তি দৰ্শোৱা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। চেক এখন মুদ্রা নে? তোমাৰ উত্তৰৰ সপক্ষে যুক্তি দৰ্শোৱা।

উত্তৰঃ প্ৰকৃত অৰ্থত চেক এখনক মুদ্রা বুলি ক'ব নোৱাৰি। তলত উল্লেখ কৰা কাৰণসমূহৰ বাবে চেক এখনক মুদ্রা হিচাপে বিৱেচনা কৰা নহয়:

(ক) মুদ্রাৰ দৰে চেক এখনৰ সাধাৰণ গ্ৰহণযোগ্যতা নাথাকে। কোনো ব্যক্তিয়ে চেক গ্ৰহণ নকৰিলে তেওঁৰ বিৰুদ্ধে কোনো আইনগত ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰি।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(খ) চেক খনক সাধাৰণতে নিকটমুদ্রা অর্থাৎ ধনাদেশ বুলিব পাৰি। সেইখন বেংকত দিয়াৰ পিছতহে ধন হাতলৈ আহে।

(গ) চেক এখনক তৎক্ষণাত মুদ্রালৈ ৰূপান্তৰিত কৰিব নোৱাৰি অর্থাৎ, মুদ্রাৰ তাৰল্য গুণতকৈ চেকৰ তাৰল্য গুণ কম।

(ঘ) চেক এখন সহজে চিনাক্তকৰণ কৰিব নোৱাৰি। যদিহে চেক এখন বেংকৰ দৃষ্টিত মূল্যহীন হৈ পৰে তেন্তে লেনদেন প্রক্রিয়াত সমস্যা হ'ব পাৰে।

(ঙ) চেক সহজবোধগম্য নহয়। এক নির্দিষ্ট সময়লৈকেহে চেক এখনৰ বৈধতা থাকে। চেক বাউন্স হ'লে লেনদেনত সমস্যাৰ উদ্ভৱ হয়।



৫। মুদ্রাই সৃষ্টি কৰিব পৰা চাৰিটা প্ৰধান অসুবিধা ব্যাখ্যা কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। মুদ্রাই সৃষ্টি কৰিব পৰা চাৰিটা প্ৰধান অসুবিধা ব্যাখ্যা কৰা।

উত্তৰঃ মুদ্রাই সৃষ্টি কৰিব পৰা যিকোনো চাৰিটা প্ৰধান অসুবিধা হৈছে-

(ক) মুদ্রাৰ মূল্য হ্রাস হোৱা:-

মুদ্রাৰ মূল্যৰ স্থিৰতা নাথাকিলে কেতবোৰ সমস্যাৰ সৃষ্টি হয়। মুদ্রাৰ মূল্য অৱিৰত ভাৱে কমি গলে মানুহৰ অসুবিধা হয় কাৰণ একেখিনি সামগ্রী কিনিবলৈ ক্রমাৎ অধিক ব্যয় কৰিব লগীয়া হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(খ) সম্পদ একত্রীকৰণৰ আহিলা:-

মুদ্রা সর্বস্ব অর্থনীতিত মুদ্রাই প্রায়-কেইগৰাকীমান ব্যক্তি অথবা ব্যক্তি গোটৰ হাতত অর্থনৈতিক ক্ষমতা তথা সম্পদ একত্রীকৰণৰ পথ প্রশস্ত কৰি তোলে। মুদ্রা সর্বস্ব অর্থনীতিত মুদ্রা অনৈতিক ক্ষমতা আহৰণৰ উপায় হৈ পৰে।

(গ) সামাজিক ব্যাধিক উৎসাহিত কৰে :-

বর্তমান সময়ত সমাজক প্রভাৱিত কৰা বহুতো সামাজিক ব্যাধিসমূহৰ মূল হৈছে মুদ্রাৰ অপব্যৱহাৰ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ৰাজনৈতিক ক্ষেত্ৰত হোৱা ধনৰ ক্ষমতাৰ অপব্যৱহাৰ, উৎকোচ, দুর্নীতি আদিৰ লগতে অর্থনৈতিক প্ৰবঞ্চনা, বেংক ঠগবাজী আদি মুদ্ৰাৰ প্ৰতি থকা দুর্বলতাই সামাজিক মূল্যবোধকৰ অৱক্ষয়ৰ কাৰণ হ'ব পাৰে।

(ঘ) ক'লা ধন বা মুদ্ৰা:-

মুদ্ৰাৰপৰা ক'লা মুদ্ৰাৰ সৃষ্টি হয়। অর্থনৈতিক অপৰাধসমূহৰ ফলত ক'লা মুদ্ৰাৰ সৃষ্টি হয়। ইয়াৰ জৰিয়তে বজাৰত সৃষ্টি হোৱা হিচাপ বহির্ভূত বিশাল পৰিমাণৰ ধনে দেশত মুদ্ৰাস্ফীতিৰ সৃষ্টি কৰে।

৬। কেন্দ্রীয় বেংকৰ চাৰিটা প্ৰধান কাৰ্য ব্যাখ্যা কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৬। কেন্দ্রীয় বেংকৰ চাৰিটা প্রধান কার্য ব্যাখ্যা কৰা।

উত্তৰঃ ভাৰতৰ কেন্দ্রীয় বেংকটো হৈছে ভাৰতীয় ৰিজার্ভ বেংক।

কেন্দ্রীয় বেংকৰ চাৰিটা প্রধান কার্য হৈছেঃ

(ক) মুদ্রা জাৰি কৰে :-

কেন্দ্রীয় বেংকে কাগজী মুদ্রা ছপা কৰে কেন্দ্রীয় বেংকৰ এইটো একচেটীয়া অধিকাৰ। বাকী কোনো বেংকৰ এই অধিকাৰটো নাই।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(খ) কেন্দ্রীয় বেংকে বেংকসমূহৰ বেংক হিচাপে কার্য সম্পাদন কৰে :-

কেন্দ্রীয় বেংকে বেংকসমূহৰ বেংক হিচাপে কাম কৰে। গোটেইবোৰ বেংকৰ হিচাপে-নিকাচ কেন্দ্রীয় বেংকে পৰীক্ষা কৰে। আর্থিক সংকটৰ সময়ত কেন্দ্রীয় বেংকেই বেংকসমূহৰ বাবে শেষ আশ্রয়স্থল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(গ) কেন্দ্রীয় বেংক চৰকাৰৰ বিত্তৰ যোগান ধৰোঁতা:-

বাজেটত দেখুওৱা চৰকাৰী ব্যয়ৰ পৰিমাণতকৈ চৰকাৰী আয়ৰ পৰিমাণ কম হ'লে বাজেট ঘাটিয়ে দেখা দিয়ে। বাজেট ঘাটি দূৰ কৰিবলৈ আমাৰ দেশত কেন্দ্রীয় চৰকাৰে (ৰাজ্য চৰকাৰসমূহে নহয়) কেন্দ্রীয় বেংকৰ বিত্তীয় সাহায্য ল'ব পাৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(ঘ) কেন্দ্রীয় বেংকে উন্নয়নমূলক কার্য সম্পাদন কৰে:-

আর্থ-সামাজিক উন্নয়নৰ বাবে অগ্রাধিকাৰ লাভ কৰা খণ্ডকেইটালৈ কেন্দ্রীয় বেংকে ধনৰাশিৰ ব্যৱস্থা কৰি দিব লাগে। উদাহৰণস্বৰূপে অগ্রাধিকাৰ লাভ কৰা কৃষি খণ্ড যাতে প্রয়োজনীয় সম্পদৰ অভাৱত নপৰে তাৰ বাবে যাৱতীয় ব্যবস্থা গ্রহণ কৰিব লাগিব কেন্দ্রীয় বেংকে। ভাৰতবর্ষত বর্তমান অগ্রাধিকাৰ খণ্ডলৈ আগবঢ়োৱা বেংক ঋণৰ পৰিমাণ বেংকৰ মুঠ আমানত (deposit)ৰ ৪০ শতাংশ হ'ব লাগে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। বাণিজ্যিক বেংকে সম্পাদন কৰা দুটা প্ৰধান কাৰ্য ব্যাখ্যা কৰা।

উত্তৰঃ বাণিজ্যিক বেংকে সম্পাদন কৰা প্ৰধান কাৰ্যসমূহ হৈছে:-

(ক) সঞ্চয় বা আমানত গ্ৰহণ:- বাণিজ্যিক বেংকে সঞ্চয় গ্ৰহণ বা সংগ্ৰহ কৰে।

এই সঞ্চয় তিনি প্ৰকাৰৰ-

(ক) চলিত আমানত।

(খ) স্থিৰ আমানত।

(গ) সঞ্চয় আমানত।

(i) চলিত আমানত :- এই ধৰণৰ সঞ্চয় ব্যৱস্থাত সঞ্চয়কাৰীয়ে যিকোনো সময়তে নিজৰ ধন বেংকৰ পৰা উলিয়াই নিব পাৰে।

(ii) সঞ্চয় আমানত :- এই ধৰণৰ সঞ্চয় ব্যৱস্থাত আমানতকাৰী বা সঞ্চয়কাৰীয়ে প্রয়োজন অনুসৰি যিকোনো সময়তে নিজৰ জমাধনৰ এটা অংশ উলিয়াই আনিব পাৰে কিন্তু আনটো অংশ উলিয়াবলৈ হ'লে বেংকৰ পৰা আগতীয়া অনুমতিৰ প্রয়োজন হ'ব।

(iii) স্থিৰ আমানত :- এই সঞ্চয় ব্যৱস্থাত সঞ্চয়কাৰীয়ে এক, দুই বা পাঁচ বছৰৰ এক নির্দিষ্ট সময়ৰ বাবে ধনৰাশি বেংকত সঞ্চয় কৰিব পাৰে কিন্তু যিকোনো সময়তে বেংকক আগতীয়াকৈ নজনোৱাকৈ জমাধন উলিয়াই নিব নোৱাৰে। এই ব্যৱস্থাত সঞ্চয়কাৰীয়ে জমাধন উলিয়াবলৈ হ'লে বেংকক আগতীয়াকৈ জনাব লাগে।

(খ) ঋণৰ যোগান ধৰে:- বাণিজ্যিক বেংক সমূহে কৃষক, কাৰিকৰ, উদ্যোগপতি, ঠেলাচালক, ৰিক্সাচালক আদি শ্রেণীৰ লোকক উপযোগী হোৱাকৈ ঋণৰ যোগান ধৰে। বাণিজ্যিক বেংকসমূহে সাধাৰণতে হ্রস্বম্যাদী তথা মধ্যমীয়া সময়সীমাৰ ঋণহে আগবঢ়ায়। বাণিজ্যিক বেংকসমূহে ঋণ গ্রহণকাৰীৰ পৰা এক নির্দিষ্ট হাৰত সুদ আদায় কৰে। এনেদৰে বাণিজ্যিক বেংকসমূহ আর্থিকভাৱে লাভৱান হ'ব পাৰে।

৮। তলত উল্লেখ কৰা প্ৰতিষ্ঠানসমূহে কি কাৰ্য সম্পাদন কৰে চমুকৈ ব্যাখ্যা কৰা :

(ক) আই ডি বি আই



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৮। তলত উল্লেখ কৰা প্ৰতিষ্ঠানসমূহে কি কাৰ্য সম্পাদন কৰে চমুকৈ ব্যাখ্যা কৰা :

(ক) আই ডি বি আই

উত্তৰঃ ভাৰতীয় ঔদ্যোগিক উন্নয়ন বেংক, চমুকৈ আই ডি বি আয়ে সম্পাদন কৰা কাৰ্যসমূহ দুটা বিস্তৃত ভাগত বিভক্ত কৰিব পাৰি। এইকেইটা হৈছেঃ

(i) ঔদ্যোগিত উন্নয়নৰ বাবে ঔদ্যোগিক প্ৰতিষ্ঠানসমূহলৈ প্ৰত্যক্ষ বা পৰোক্ষভাৱে বিত্তীয় সাহায্য প্ৰদান কৰে।

(ii) দেশৰ ঔদ্যোগিক উন্নয়নৰ সৈতে জড়িত প্ৰতিষ্ঠানসমূহৰ প্ৰসাৰতা বৃদ্ধি কৰাত সহায় কৰে।

(iii) অৰ্থনৈতিক দিশত পিছপৰা অঞ্চলসমূহৰৰ উদ্যোগলৈ ৰেহাই সুদৰ হাৰত ঋণ আগবঢ়ায়।

(iv) প্ৰশিক্ষণৰ জৰিয়তে উদ্যোগবিহীন জিলাসমূহত ঔদ্যোগিক ক্ষেত্ৰত উদ্যম বৃদ্ধিৰ বাবে নতুন প্ৰজন্মক উৎসাহিত কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation


(খ) আঞ্চলিক গ্রাম্য বেংক



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(খ) আঞ্চলিক গ্ৰাম্য বেংক



উত্তৰঃ ১৯৭৫ চনত আঞ্চলিক গ্ৰাম্য বেংক স্থাপন কৰা হয়। এই বেংকে সম্পাদন কৰা মূল কাম দুটা হ'ল-

(i) বেপাৰী, মহাজনসকলৰ পৰা অত্যধিক সুদ দি ঋণ লোৱা গাঁওবাসীলৈ অতি কম সুদৰ হাৰত ঋণ প্ৰদান কৰি দুখীয়া গাঁওবাসীক সকাহ দিয়া। আৰু

(ii) গ্ৰাম্য সঞ্চয় সংগ্ৰহ কৰি বিভিন্ন উৎপাদনমূলক কাৰ্যত সেই সঞ্চয় ব্যয় কৰা।

(গ) কৃষি আৰু গ্ৰাম্য উন্নয়নৰ ৰাষ্ট্ৰীয় বেংক



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(গ) কৃষি আৰু গ্ৰাম্য উন্নয়নৰ ৰাষ্ট্ৰীয় বেংক

উত্তৰঃ ১৯৮২ চনত কৃষি আৰু গ্ৰাম্য উন্নয়নৰ ৰাষ্ট্ৰীয় বেংক স্থাপন কৰা হয়। ই সম্পাদন কৰা কাৰ্যবোৰ হ'ল-

(i) গ্ৰাম্য অঞ্চলত বিনিয়োগ আৰু উৎপাদন কাৰ্যক উৎসাহিত কৰা শীৰ্ষ উন্নয়নমূলক বেংক হিচাপে সেৱা আগবঢ়োৱা।

(ii) ঋণ প্ৰদান প্ৰক্ৰিয়া, আঁচনিৰ পুনৰীক্ষণ আৰু পৰ্যালোচনা, প্ৰশিক্ষণ আদিৰ সুদৃঢ়কৰণৰ বাবে নাবার্ডে ব্যৱস্থা গ্ৰহণ কৰে।

(iii) বিভিন্ন গ্রাম্য আঁচনিসমূহৰ পুনৰীক্ষণ আৰু পর্যালোচনা কৰা আৰু হিতাধিকাৰীসকলৰ বাবে প্রশিক্ষণ কার্যসূচী অনুষ্ঠিত কৰা।



(ঘ) ভাৰতীয় ক্ষুদ্ৰ উদ্যোগ উন্নয়ন বেংক।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

(ঘ) ভাৰতীয় ক্ষুদ্ৰ উদ্যোগ উন্নয়ন বেংক।

উত্তৰঃ ভাৰতীয় ক্ষুদ্ৰ উদ্যোগ উন্নয়ন বেংকৰ প্ৰধান কাৰ্যসমূহ হৈছেঃ-

(i) ক্ষুদ্ৰ উদ্যোগসমূহৰ বাবে উন্নত প্ৰযুক্তিবিদ্যা আৰু আধুনিকীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা আৰু উৎপাদিত সামগ্ৰীৰ বাবে উপযুক্ত বজাৰৰ ব্যৱস্থা কৰি দিয়া।

(ii) অৰ্ধ-নগৰীয়া অঞ্চলসমূহৰ উদ্যোগসমূহত অধিক নিয়োগৰ ব্যৱস্থা কৰি নগৰীয়া অঞ্চলসমূহলৈ হোৱা জনপ্ৰব্ৰজন ৰোধ কৰা।

(iii) ঔদ্যোগিক নিগম, ৰাজ্যিক বিত্ত নিগম, সমবায় বেংক, আঞ্চলিক গ্রাম্য বেংক আৰু বাণিজ্যিক বেংকসমূহলৈ ঋণ তথা বিত্তীয় সাহায্য আগবঢ়োৱা যাতে এই বিত্তীয় প্রতিষ্ঠানসমূহে ক্ষুদ্র উদ্যোগসমূহলৈ ঋণৰ যোগান ধৰিব পাৰে।